# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ৫ ফেব্ৰুৱাৰী ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত উচমান বিন আফফান (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলী সম্পৰ্কে ঈমান বৰ্দ্ধক ঘটনা সমূহৰ চমু বৰ্ণনা।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আগৰে পৰাই হজৰত উচমান (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা চলি আছে। তেখেত (ৰাঃ)য়ে অংশ গ্ৰহণ কৰা যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰা হৈছিল। ইয়াৰে এটা যুদ্ধৰ নাম আছিল ৰিকাআৰ যুদ্ধ। নবী কৰীম (ছাঃ)য়ে গোথফানৰ কবিলা বনু শ্বেলবা আৰু বনু মহাৰিবৰ ওপৰত আক্ৰমণ চলাবলৈ চাৰি শ আৰু আন এটা ৰিৱায়ত অনুযায়ী সাত শ চাহাবাৰ এটা দলৰ সৈতে নজদলৈ যাত্ৰা কৰিছিল। ইফালে হজৰত উচমান (ৰাঃ) ক মদিনাৰ আমিৰ নিযুক্ত কৰি থৈ গৈছিল। কিন্তু আন এটা ৰিৱায়ত অনুসৰি হজৰত আবু জাৰ গাফফাৰী (ৰাঃ)ক মদিনাৰ আমিৰ নিযুক্ত কৰিছিল বুলি উল্লেখ পোৱা যায়। আঁ-হজৰত (ছাঃ)য়ে নজদৰ নখল নামৰ ঠাইত গৈ উপস্থিত হৈছিল যাক জাতুৰ ৰিকাআ বুলি কোৱা হয়। তাতে আঁ-হজৰত (ছাঃ)ৰ মোকাবিলা কৰিবলৈ এটা ডাঙৰ সৈন্য দল সাজু হৈ আছিল। দুয়ো পক্ষই সমানে মুখামুখী হৈছিল কিন্তু যুদ্ধ সংগঠিত হোৱা নাছিল।

তবুকৰ যুদ্ধৰ বাবে হজৰত উচমান (ৰাঃ)য়ে যি ধনমাল বৰঙনি হিচাপে আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিছিল তাৰ বিষয়ে এনেদৰে বৰ্ণনাৰ উল্লেখ পোৱা যায় যে এই যুদ্ধখনৰ বাবে সাজু হ'বলৈ আঁ-হজৰত (ছাঃ)য়ে এক দান বৰঙণিৰ তেহেৰিক কৰিছিল। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে শ্বামৰ (ছিৰিয়াৰ) ফালে ব্যৱসায়ৰ উদ্দেশ্যে যাবলৈ সাজু কৰি লোৱা নিজৰ এশ উটৰ কাফেলা কোজাও আৰু গাদীৰ সৈতে দান কৰি দিছিল। উক্ত যুদ্ধৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি আঁ-হজৰত (ছাঃ)য়ে আকৌ তেহেৰিক কৰাৰ লগে লগে হজৰত উচমান (ৰাঃ)য়ে আৰু এশ উট কোজাও আৰু গাদীৰ সৈতে সাজু কৰি বৰঙণি হিচাপে আগবঢ়াইছিল। আঁ-হজৰত (ছাঃ)য়ে আকৌ তেহেৰিক কৰাৰ লগে লগে হজৰত উচমান (ৰাঃ)য়ে তৃতীয় বাৰলৈ আৰু এশ উট কোজাও আৰু গাদীৰে সাজু কৰি আঁ-হজৰত (ছাঃ)ৰ খিদমতত আগবঢ়াইছিল। আঁ-হজৰত (ছাঃ)য়ে কৈছিল,

مَا عَلٰى عُثْمَانَ مَا عَمِلَ بَعْدَ هٰذِهٖ ـ مَا عَلٰى عُثْمَانَ مَا عَمِلَ بَعْدَ هٰذِهٖ

ইয়াৰ পিছত উচমান যিয়েই কৰক, তাৰ বাবে কোনো প্ৰশ্নৰ সন্মুখীন নহয়। যিয়েই নহওঁক ইয়াৰ ওপৰি উচমান (ৰাঃ)য়ে দুশ আওকিয়া সোণ নবী কৰীম (ছাঃ)ৰ খিদমতত আগবঢ়াইছিল। আন এটা ৰিৱায়তত উল্লেখ আছে যে হজৰত উচমান (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ তহবিলত এক হাজাৰ দিনাৰ জমা দিছিল তেতিয়া আঁ-হজৰত (ছাঃ)

য়ে তহবিলত দিয়া সেই দিনাৰবোৰ ওলট-পালট কৰি চাইছিল আৰু দ্বিতীয় বাৰ কৈছিল,

مَا ضَرَّ عُثْمَانَ مَا عَمِلَ بَعْدَ الْيَوْمِ -

অৰ্থাৎ আজিৰ পৰা উচমান যিয়েই কৰক, তাৰ কোনো ক্ষতি নহয়। আন এটা ৰিৱায়ত অনুসৰি হজৰত উচমান (ৰাঃ)য়ে তেতিয়া দহ হাজাৰ দিনাৰ দিছিল আৰু আঁ-হজৰত (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ বাবে এয়া দোৱা কৰিছিল যে হে উচমান আল্লাহ তোমাৰ লগত ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক তাৰ বাবে যি তুমি গোপন ভাৱে কৰিছা আৰু যি তুমি মুকলিকৈ কৰিছা আৰু যি তুমি কিয়ামতলৈকে কৰিবা। ইয়াৰ পিছত তেওঁ যিয়েই আমল নকৰক কিয়, তাৰ কোনো চিন্তা কৰিব নালাগিব। আন এটা ৰিৱায়ত অনুসৰি এখেত (ৰাঃ)য়ে তবুকৰ যুদ্ধৰ প্ৰস্তুতিৰ নিমিত্তে এক হাজাৰ উট আৰু সত্তৰটা ঘোঁৰা দান কৰিছিল। এটা ৰিৱায়ত অনুসৰি আঁ-হজৰত (ছাঃ)য়ে তেতিয়া হজৰত উচমান (ৰাঃ)ক কৈছিল হে উচমান! আল্লাহ তা'লা তোমাক সেই সকলোবোৰ ক্ষমা কৰক যি তুমি গোপনে কৰিছা আৰু যিবোৰ তুমি মুকলি ভাৱে কৰিছা আৰু যিবোৰ তুমি কিয়ামতলৈকে কৰিবা। এই আমলৰ পিছত তেওঁ যি কৰিব আল্লাহ তা'লা সেইবোৰলৈ কোনো গুৰুত্ব নিদিয়ে। আন এটা ৰিৱায়ত অনুসৰি আঁ-হজৰত (ছাঃ)য়ে তেতিয়া হজৰত উচমানৰ নিমিত্তে এয়া দোৱা কৰিছিল যে হে আল্লাহ! তুমি উচমানৰ ওপৰত সন্তুষ্ট হৈ যোৱা কাৰণ মই তাৰ ওপৰত সন্তুষ্ট হৈছো।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এবাৰ ৰছুলে কৰীম (ছাঃ)য়ে বাহিৰলৈ ওলাই আহি কৈছিল যে অমুক ঠাইলৈ আমাৰ সৈন্য বাহিনী যাব লগা হৈ আছে কিন্তু মোমিন সকলৰ হাতত তাৰ বাবে কোনো বস্তু বাহিনীৰ যোগাৰ নাই, তোমালোকৰ মাজত কোনোবাই আছেনে যে ইয়াৰ পৰা নেকি (ছোৱাব) অৰ্জন কৰিব ? হজৰত উচমান (ৰাঃ)য়ে এয়া শুনাৰ লগে লগে থিয় হয় আৰু নিজৰ জমা কৰি ৰখা ধনৰ টোপোলা উলিয়াই সেই ধন মুছলমান সকলৰ খৰচৰ বাবে ৰছুলে কৰীম (ছাঃ)ক দি দিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া সেয়া দেখিছিল তেতিয়া কৈছিল উচমান জান্নাত কিনি ললে। এনেদৰে আন এটা ঘটনা আছে এবাৰ মুছলমান সকলৰ সন্মুখত এটা নাদ বিক্ৰি হৈ আছিল। সেই সময়ত মুছলমান সকলৰ পানীৰ বৰ নাটনি আছিল। সেয়ে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল,তোমালোকৰ মাজত কোনোবাই আছে যিয়ে নেকি অৰ্জন কৰিব ? তেতিয়া হজৰত উচমান (ৰাঃ)য়ে সেই নাদটো কিনিলৈ মুছলমান সকলৰ বাবে ওয়াকফা কৰি দিছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে আকৌ কৈছিল উচমানে জান্নাত কিনি ললে। এনদৰে আৰু এবাৰ ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ বিষয়ে এই শব্দবোৰেই কৈছিল। মুঠতে তিনিবাৰ এনে পৰিস্থিতি আহিছিল ;য'ত ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ সম্পৰ্কে কৈছিল যে- তেখেতে জান্নাত ক্ৰয় কৰি ললে। এবাৰ আঁ-হজৰত (ছাঃ)য়ে কৈছিল হে উচমান ! খোদা তা'লা তোমাক এটা চোলা পিন্ধাব; মুনাফিকসকলে বিচাৰিব যে তুমি চোলাটো খুলি দিয়া কিন্তু তুমি সেই চোলাখন খুলি নিদিবা।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত হজৰত উচমান (ৰাঃ)সেই সকল চাহাবা আৰু শ্বোৰা (পৰামৰ্শ সভা)ৰ সদস্য আছিল যিসকলৰ পৰা গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ বাবে পৰামৰ্শ লোৱা হৈছিল।

যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে মুছলমান সকলৰ মাজত মূৰ দাঙি উঠা অন্তৰ কলহ মীমাংসা কৰি উঠিছিল তেতিয়া ৰোম আক্ৰমণ কৰিবলৈ আৰু বিভিন্ন ফালে জিহাদি (সৈন্য) প্ৰেৰণৰ সিদ্ধান্ত লৈছিল। গতিকে এই বিষয়ে তেখেত (ৰাঃ)য়ে লোকৰ পৰামৰ্শ বিচাৰিছিল। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে কৈছিল যে আপুনি এই দ্বীনৰ মান্যকাৰী সকলৰ কল্যাণ কামনা কৰে আৰু আপুনি দয়ালু। গতিকে আপুনি যিটো সাধাৰণ লোকৰ বাবে ভাল বুলি

ভাৱে সেই সিদ্ধান্তৰ ওপৰত কাম কৰিবলৈ দৃঢ় সংকল্প লওঁক কাৰণ আপোনাৰ বিষয়ে কোনো সমালোচনা কৰিব পৰা নাযায়। তেতিয়া সেই বৈঠকত উপস্থিত থকা ডাঙৰ ডাঙৰ চাহাবা লগতে আনছাৰ আৰু মুহাজেৰিণ সকলোৰে কৈছিল- হজৰত উচমান (ৰাঃ)য়ে ঠিক কথা কৈছে, আপুনি যিটো ভাল বুলি ভাৱে সেয়াই কৰক। আমি নে আপোনাৰ বিৰোধীতা কৰিম আৰু নে আপোনাক দোষাৰোপ কৰিম। হজৰত আবু বক্কৰ (ৰাঃ)য়ে যেতিয়া নিজৰ আচহাব সকলৰ পৰা পৰামৰ্শ বিচাৰিছিল যে হজৰত আয়ওবান বিন ছঈদৰ পিছত কাক বেহেৰিণৰ গভৰ্ণৰ পাতি পঠোৱা যায়। তেতিয়া হজৰত উচমান (ৰাঃ) য়ে নিবেদন কৰিছিল যে সেই মানুহ জনক পঠাওক, যাক ৰছুলুল্লাহ (ছাঃ)য়ে বেহেৰিণৰ বাসিন্দা সকলৰ ওপৰত গভৰ্ণৰ নিযুক্ত কৰিছিল আৰু এয়া তাৰ ইছলাম গ্ৰহণ আৰু আনুগত্যৰ কাৰণে কৰা হৈছিল আৰু তেওঁ বেহেৰিণৰ লোক আৰু সেই অঞ্চল সম্পৰ্কে ভালদৰে জানে। সেই লোকজন হ'ল আলায়ে বিন হজৰমি। এয়া শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে আলায়ে বিন হজৰমি বেহেৰিণলৈ পঠোৱাৰ সিদ্ধান্ত লৈছিল।

হজৰত ইবনে আববাছৰ পৰা বৰ্ণিত আছে যে এবাৰ মদিনাত দুৰ্ভিক্ষই খাদ্য বস্তুলৈ স্বামৰ পৰা মদিনাত আহি উপস্থিত হৈছিল। মদিনাৰ লোক সকলে আহি হজৰত উচমান (ৰাঃ)ৰ ঘৰত আহি উপস্থিত হৈছিল যে আপুনি এই খাদ্য বস্তু আমাৰ ওচৰত বিক্ৰি কৰক যাতে আমি এইবোৰ দৰিদ্ৰ, মিচকিন সকলক দিব পাৰো। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে লোকক সুধিছিল যে আপোনালোকে মোক কিমান মুনাফা (লাভ) দিব। তেওঁলোকে কৈছিল যে আমি দহত বাৰ দিম। হজৰত উচমান (ৰাঃ)য়ে কৈছিল, মোৰ ইয়াতকৈ আৰু বেছি লাভ হৈ আছে। তেতিয়া তেওঁলোকে কৈছিল আমি দহতে পোন্ধৰ দিম। হজৰত উচমান (ৰাঃ)য়ে কৈছিল মোৰ ইয়াতকৈ আৰু বেছি লাভ হৈ আছে। তেতিয়া ব্যৱসায়ী সকলে কৈছিল- হে আবু উমৰু। মদিনাত আমাৰ বাহিৰে আন কোনো ব্যৱসায়ী নাই; তেন্তে কোনে আপোনাক ইয়াতকৈ বেছি লাভ যাঁচি আছে। হজৰত উচমান (ৰাঃ)য়ে কৈছিল আল্লাহ তা'লা মোক প্ৰত্যেক দিৰহামৰ সলনি দহ গুণ বেছি দি আছে। আপোনালোকে ইয়াতকৈ বেছি দিব পাৰিব নে ? তেওঁলোকে কৈছিল- নাই, নোৱাৰো। এই কথা শুনি হজৰত উচমান (ৰাঃ)য়ে কৈছিল মই আল্লাহক সাক্ষী ৰাখি এই খাদ্য বস্তু মুছলমান সকলৰ দৰিদ্ৰ শ্ৰেণীলৈ ছাদকা কৰিলোঁ।

হজৰত ইবনে আববাছ (ৰাঃ)য়ে কৈছে যে মই সেই ৰাতিত ৰছুলুল্লাহ (ছাঃ)ক সপোনত দেখিলো যে তেখেতে এটা অআৰবীয়ান ঘোঁৰাৰ ওপৰত আৰোহণ কৰি আছে। তেখেত (ছাঃ)য়ে পোহৰৰ পোছাক পৰিধান কৰি আছে আৰু তেখেত (ছাঃ)ৰ ভৰিত পোহৰৰ জোতা পিন্ধোৱা আছে আৰু হাতত এখন পোহৰৰ লাখুটি আছে আৰু তেখেতে কৰবালৈ যোৱাৰ বাবে ততাতৈয়া কৰি আছে। মই আবেদন কৰিছিলোঁ,ইয়া ৰছুলুল্লাহ (ছাঃ) মই আপোনাৰ সৈতে কথা পাতিবলৈ বৰ আগ্ৰহী। আপুনি ইমান ততাতৈয়া কৰি কলৈ গৈ আছে ? তেখেত (ছাঃ)য়ে কৈছিল-হে ইবনে আববাছ! উচমান এটা ছাদকা আগবঢ়াইছে আৰু আল্লাহ তা'লা সেয়া গ্ৰহণ কৰি লৈছে আৰু জান্নাতত তাৰ বিয়া পাতিছে আৰু মোক তেওঁৰ বিয়ালৈ নিমন্ত্ৰণ দিয়া হৈছে।

হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ সম্পৰ্কে আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যতবাণীও আছে। হজৰত জাবিৰ বিন আব্দুল্লাহ বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে আজি ৰাতি এজন পুৰুষক সপোনত দেখুৱা হৈছে যে হজৰত আবু বক্কৰক ৰছুলুল্লাহৰ সৈতে যোৰ দি দিয়া হৈছে,আৰু হজৰত উমৰক হজৰত আবু বক্কৰৰ সৈতে আৰু হজৰত উচমানক হজৰত উমৰৰ সৈতে যোৰ দিয়া হৈছে। হজৰত জাবিৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে সাধু পুৰুষজন মানে হ'ল ৰছুলুল্লাহ (ছাঃ) আৰু এজনক আনজনৰ সৈতে যোৰ দিয়া মানে হ'ল এয়া যে উক্ত লোক কেইজন দ্বীনৰ

ওলি হ’ব; যি দ্বীনৰ সৈতে আল্লাহ তা’লা নিজৰ নবীক প্ৰেৰণ কৰিছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ মৃত্যু আৰু হজৰত উচমান (ৰাঃ)য়ে খলিফা নিৰ্বাচিত হোৱা সম্পৰ্কে বৰ্ণনা কৰিছে যে হজৰত উমৰ (ৰাঃ)য়ে যেতিয়া আঘাতপ্ৰাপ্ত হৈ পৰিছিল আৰু যেতিয়া তেখেতে উপলব্দি কৰিছিল যে এতিয়া তাৰ শেষ সময় কাষ চাপি আহিছে তেতিয়া এখেত (ৰাঃ)য়ে ছয়জন ব্যক্তি সম্পৰ্কে অচিয়ত কৰিছিল যে তেওঁলোকে নিজৰ মাজৰ পৰা এজনক খলিফা নিযুক্ত কৰি লয় যেন। সেই ছয়জন লোক আছিল ক্ৰমে হজৰত উচমান (ৰাঃ),হজৰত আলি (ৰাঃ),হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ) হজৰত ছাআদ বিন উকাছ (ৰাঃ),হজৰত জাবিৰ (ৰাঃ) আৰু হজৰত তালহা (ৰাঃ)। ইয়াৰ লগতে তেখেতে হজৰত আব্দুল্লাহ বিন উমৰক পৰামৰ্শ সভাত অংশ গ্ৰহণ কৰিবলৈ মনোনীত কৰিছিল কিন্তু খিলাফতৰ কোনো অধিকাৰী সাব্যস্ত কৰা নাছিল।

২৩ হিজৰীৰ জিলহজ্ব মাহৰ ২৯ তাৰিখত সোমবাৰৰ দিনটোত হজৰত উচমান বিন আফফান (ৰাঃ)ৰ বয়াত কৰা হৈছিল। যেতিয়া হজৰত উচমান (ৰাঃ)য়ে খলিফা নিৰ্বাচিত হৈছিল তেতিয়া আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে কৈছিল যে আমি বাকী ৰৈ যোৱা সকলৰ মাজত আটাইতকৈ উত্তম লোক জনক নিৰ্বাচিত কৰিছোঁ আৰু আমি এই নিৰ্বাচিতত কোনো ধৰণৰ আলসতা দেখুৱা নাই।

বদৰ বিন উচমান নিজৰ খুৰাৰ পৰা শুনি বৰ্ণনা কৰিছে যে যেতিয়া শ্বোৰাৰ সদস্য সকলে হজৰত উচমান (ৰাঃ)ৰ বয়াত কৰিছিল তেতিয়া তেখেত (ৰাঃ)য়ে এনেকুৱা অৱস্থাত বাহিৰলৈ ওলাই আহিছিল যে তেখেতে সকলোতকৈ বেছি চিন্তান্বিত হৈ পৰিছিল। ইয়াৰ পিছত তেখেতে ৰছুলুল্লাহ (ছাঃ)ৰ মিম্বাৰত উঠি লোকলৈ ভাষণ প্ৰদান কৰে। তেখেতে প্ৰথমে আল্লাহ তা’লাৰ প্ৰশংসা কৰে আৰু নবী কৰিম (ছাঃ)ৰ প্ৰতি দৰূদ পাঠ কৰি কয় যে নিশ্চয় তোমালোকে এনেকুৱা এখন ঘৰত আছা, যি তোমালোকে এৰি দিব লাগিব আৰু তোমালোক উমৰ (বয়সৰ) শেষ অংশত আহি পাইছা গতিকে মৃত্যুৰ পূৰ্বে যিমান সজ কাম কৰি পাৰা কৰি লোৱা। নিশ্চয় সকলোৰে মৃত্যুৰ বেষ্টনীত আছা আৰু এই শত্ৰুৱে পূৱা অথবা আবেলিতে তোমালোকৰ ওপৰত আক্ৰমণ চলাব পাৰে। সাবধান! নিশ্চয় জগতখন অপছন্দনীয় প্ৰবঞ্চনাত লিপ্ত হৈ পৰিছে। গতিকে তোমালোকক যাতে এই জাগতিক জীৱটোৱে প্ৰতাৰণা কৰিব নোৱাৰে আৰু আল্লাহ তা’লাৰ সম্পৰ্কে চতুৰ ধোকাবাজ চয়তানে যেন তোমালোকক কেতিয়াও প্ৰবঞ্চনাত আক্ৰান্ত কৰিব নোৱাৰে। অতীত হৈ যোৱা লোক সকলৰ পৰা জ্ঞান আৰু উপদেশ গ্ৰহণ কৰা আৰু প্ৰাণ পণে চেষ্টা কৰা আৰু এলেহুৱা নহ’বা কাৰণ আল্লাহ তা’লা তোমালোকলৈ গাফিল নহয়। সেই দুনিয়াদাৰ সকল আৰু তেওঁলোকৰ ভাই ক’ত আছে যিসকলে জমিন ফালি ফচল ফলাইছিল আৰু দীৰ্ঘকাল তাৰ পৰা লাভ আহৰণ কৰি থাকিছিল। কিয় সি (আল্লাহ) তেওঁ লোকক উলিয়াই বাহিৰলৈ দলিয়াই দিয়া নাছিল নে? গতিকে তোমালোকেও জগতক তালৈ দিয়া য’ত আল্লাহ তা’লা ইয়াক দলিয়াই দিছে আৰু আখিৰতক বিচৰা,আখিৰতক বিচৰা।

হজৰত উচমান (ৰাঃ)ৰ খিলাফৎকালত তলত উল্লেখিত ঠাই সমূহৰ ওপৰত আল্লাহ তা’লা মুছলমান সকলক বিজয় দান কৰিছিল। আফ্ৰিকাৰ আলজেৰিয়া আৰু মাৰকিশ অঞ্চলসমূহ,ফাতাহ ইন্দেলিছ অৰ্থাৎ স্পেইন,ফাতাহ কব্ৰচ অৰ্থাৎ ছাইপ্ৰাছ, ফাতাহ তিবৰিস্থান,ফাতাহ ছৰাৰি,বিজয় আৰ্মেনিয়া,বিজয় খোৰাচান, ৰোমলৈ পদক্ষেপ,বলকান,খিৰাব, জোযাজান আৰু তিখাৰাস্থান লৈ বিজয় যাত্ৰা। ইয়াৰ ওপৰিও এই বিষয়ে আৰু উল্লেখ পোৱা যায় যে হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত ভাৰতবৰ্ষলৈ ইছলামৰ আগমন ঘটিছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আজিও মই দোৱাৰ ফালে মনত পেলাই দিও,

পাকিস্তানৰ আহমদী সকলৰ বাবে দোৱা কৰি থাকক যাতে আল্লাহ তা'লা তেওঁলোকৰ অৱস্থাৰ উন্নতি কৰে। তেওঁলোককও দোৱা কৰাৰ সৌভাগ্য দান কৰক। নিজকে সংশোধন কৰি লোৱাৰ সৌভাগ্য দান কৰক। আল্লাহ তা'লা সোনকালে এই এন্ধাৰ দূৰীভূত কৰি পোহৰত পৰিণত কৰক আৰু আমি যেন সেই ঠাইৰ আহমদী সকলক স্বাধীন ভাৱে নিজৰ দায়িত্ব পালন কৰোঁতে দেখিবলৈ পাওঁ। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ، عِبَادَ اللّٰہِ رحمکم اللہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 5 FEBRUARY 2021**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**